**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-OCT-2025
**Time :** 0900  Hrs

***Assamese Morning Bulletin***
***Headlines***
--------------------

১। জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ৫ গৰাকী প্ৰবাসী অসমীয়াৰ এই পৰ্যন্ত এছ্ আই টিক ভাষ্য প্ৰদান।

২। বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে আজি নৱ-নিৰ্বাচিত ১২ জন পাৰিষদৰ শপত গ্ৰহণ অনুষ্ঠান।

৩। ৰাজ্য চৰকাৰৰ বিধানসভা সমষ্টিভিত্তিক মেগা স্বাস্থ্য শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীৰ স্বাস্থ্য পৰীক্ষা সম্পন্ন।

৪। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তীত আজি সাহিত্যিকগৰাকীক সোঁৱৰণ।

*আৰু*

৫। আই চি চি মহিলা ক্ৰিকেট প্ৰতিযোগিতাৰ কালি বিশাখাপট্টনমত বাংলাদেশৰ বিৰুদ্ধে দক্ষিণ আফ্ৰিকাৰ জয়লাভ।

oooooo

ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা পাঁচগৰাকী প্ৰবাসী অসমীয়াই এই পৰ্যন্ত অসম আৰক্ষীৰ বিশেষ অনুসন্ধানকাৰী দলৰ আগত ভাষ্য প্ৰদান কৰিছে। কালি দিনৰভাগত তিনিজন আৰু বিয়লিৰভাগত এজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জিঅ'লাংছাত নাৰ্জাৰী নামৰ লোক তিনিজনক এছ্ আই টিয়ে সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। বিয়লি ভাস্কৰজ্যোতি দত্ত নামৰ এগৰাকী ছিংগাপুৰস্থিত প্ৰবাসী অসমীয়াই এছ্ আই টিৰ কাৰ্যালয়ত উপস্থিত হৈ ভাষ্য দিয়ে। উল্লেখযোগ্য যে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতা নামৰ প্ৰবাসী অসমীয়াজন এছ্ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই কালি সংবাদমাধ্যমৰ আগত এই বিষয়ে প্ৰকাশ কৰি কয়, যে পৰৱৰ্তী দুদিনৰ ভিতৰত বাকী লোকসকলো হাজিৰ হ'বহি। ছিংগাপুৰ আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত তদন্ত চলাই আছে আৰু তেওঁলোকে বিচৰা তথ্য অসম আৰক্ষীয়ে যোগান ধৰিছে বুলি শ্ৰী গুপ্তাই প্ৰকাশ কৰে। ইপিনে, নতুন দিল্লীৰ কেন্দ্ৰীয় ফৰেন্সিক গৱেষণাগাৰে প্ৰেৰণ কৰা জুবিন গাৰ্গৰ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদনে তদন্তক নতুন গতি দিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

***(বাইট ঃ মুখ্যমন্ত্ৰী)***

ছিংগাপুৰৰ সমুদ্ৰত জুবিন গাৰ্গৰ অন্তিম সময়ৰ মোবাইলত আবদ্ধ কৰা দৃশ্যসমূহ এছ্ আই টিয়ে পুনৰ উদ্ধাৰ কৰিবলৈ সমৰ্থ হৈছে। অভিযুক্ত অমৃত প্ৰভা মহন্তই মচি পেলোৱাৰ পাছত অসম আৰক্ষীৰ তথ্য প্ৰযুক্তি বিশেষজ্ঞই এই ভিডিঅ'সমূহ উদ্ধাৰ কৰিবলৈ সমৰ্থ হয়। মৰমী দাসৰ নেতৃত্বত এছ্ আই টিৰ এটা দল কালি জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ ভিছেৰা পৰীক্ষাৰ প্ৰতিবেদন সম্পৰ্কে পৰিয়ালক অৱগত কৰে। অৱশ্যে এই প্ৰতিবেদন সন্দৰ্ভত আৰক্ষীয়ে ৰাজহুৱাকৈ কোনো তথ্য সদৰি কৰা নাই। এই তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ গতিত আগবাঢ়িছে

বুলি ইতিমধ্যে ৰাজ্য চৰকাৰে সদৰি কৰিছে। তদন্ত প্ৰক্ৰিয়া প্ৰয়োজনতকৈ বেছি খৰতকীয়া কৰিলে তদন্ত আধৰুৱা হোৱাৰ আশংকা থকা হেতুকে জনসাধাৰণক ধৈৰ্য্য সহকাৰে বিচাৰ প্ৰক্ৰিয়াৰ সামৰণিৰ বাবে অপেক্ষা কৰিবলৈ ৰাজ্য চৰকাৰে আহ্বান জনাইছে।

এই ঘটনা সন্দৰ্ভত এছ আই টিয়ে আজি ৰাজ্যৰ ১৩ গৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। এই ব্যক্তিসকলৰ ভিতৰত সাংবাদিক মনোজ কুমাৰ গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী, ডাঃ হিতেশ বৰুৱা, সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী আৰু উদীয়মান গীতিকাৰ ৰাহুল গৌতম শৰ্মাও আছে। অৱশ্যে ইয়াৰে কেইবাগৰাকীও ব্যক্তিয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰা নাই আৰু বৈঠকত উপস্থিত থাকিব নোৱাৰে বুলি প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰসন্থাই এই আলোচনাত অংশ নলয় বুলি স্পষ্ট কৰি দিছে। একেদৰে সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়েও এই আমন্ত্ৰণ অস্বীকাৰ কৰিছে। অৱশ্যে সাংবাদিক অতনু ভূঞাই এই বৈঠকত উপস্থিত থাকিব বুলি প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰো কালি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ভাষ্য গ্ৰহণ কৰা হয়।

oooooo

বি টি চিৰ কাৰ্যবাহী সদস্য হিচাপে আজি নৱ-নিৰ্বাচিত ১২ জন পাৰিষদে শপত গ্ৰহণ কৰিব। আজি দিনৰ ১১ বজাৰ পৰা বি টি চি বিধানসভা পৰিষদৰ সভাকক্ষত এই শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মুকেশ চাহুৱে নৱ-নিৰ্বাচিত কাৰ্যবাহী সদস্যসকলক গোপনীয়তাৰ শপত বাক্য পাঠ কৰাব। কাৰ্যবাহী সদস্য হিচাপে শপত ল'বলগীয়া ১২ গৰাকী পাৰিষদৰ ভিতৰত দুগৰাকী মহিলা আছে। কোকৰাঝাৰ জিলাৰ পৰা ৫ গৰাকী, চিৰাং, ওদালগুৰি আৰু বাক্সাৰ পৰা দুগৰাকীকৈ আৰু তামুলপুৰৰ এগৰাকী পাৰিষদে আজি শপত ল'ব।

oooooo

ৰাজ্য চৰকাৰে বি টি আৰৰ জিলা কেইখনৰ আয়ুক্তসকলৰ ক্ষমতা সন্দৰ্ভত ২০২১ চনত জাৰি কৰা অধিসূচনা প্ৰত্যাহাৰ কৰিছে। এই অধিসূচনা অনুসৰি বি টি আৰৰ জিলাকেইখনৰ আয়ুক্তসকলৰ উন্নয়নমূলক কামকাজৰ ক্ষেত্ৰত ক্ষমতা আংশিকভাৱে বি টি চি প্ৰশাসনৰ নিয়ন্ত্ৰণত আছে। ২০২১ চনৰ ১৯ জানুৱাৰীৰ অধিসূচনা প্ৰত্যাহাৰ কৰি ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে দিয়া শেহতীয়া নিৰ্দেশ অনুসৰি বি টি আৰৰ অধীনৰ কোকৰাঝাৰ, চিৰাং, বাক্সা আৰু ওদালগুৰি জিলাৰ আয়ুক্তসকলৰ উন্নয়নমূলক কামকাজত সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকিব। বিভাগটোৱে জাৰি কৰা এই নতুন নিৰ্দেশ সকলো দিশ চালিজাৰি চাই জনস্বাৰ্থত লোৱা হৈছে বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পূৰ্বৰ নিৰ্দেশ অনুসৰি জিলাকেইখনৰ আয়ুক্তসকলক উন্নয়নমূলক কামকাজ ৰূপায়ণৰ ক্ষেত্ৰত বিটিচি প্ৰশাসনৰ আওতাত ৰখা হৈছিল। তদুপৰি বিটিচিৰ প্ৰধান সচিবে এই আয়ুক্তসকলৰ উন্নয়নমূলক কামকাজৰ বাৰ্ষিক প্ৰতিবেদন ৰাজ্যৰ কৰ্মচাৰী বিভাগক দাখিল কৰিবলগীয়া হৈছিল।

oooooo

ৰাজ্য চৰকাৰে যোৱা এপ্ৰিলত অনুষ্ঠিত কৰা ঝুমই বিনন্দিনী শীৰ্ষক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক পৰহিলৈ সম্বৰ্ধনা জনোৱাৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে চৰকাৰে সাংস্কৃতিক কাৰ্যসূচীত অংশগ্ৰহণ কৰা চাহ জনগোষ্ঠীৰ যুৱক-যুৱতীসকলক যোৱা ছেপ্তেম্বৰত মাননি প্ৰদানৰ বাবে চিন্তা-চৰ্চা কৰিছিল যদিও বিভিন্ন কাৰণত সেয়া সম্ভৱ নহ'ল। সেয়ে পৰহিলৈ এইসকল যুৱক-যুৱতীক গুৱাহাটীত সম্বৰ্ধনা জনোৱা হ'ব বুলি তেওঁ সদৰি কৰিছে।

বাইট (চি এম)

০০০০০০

ৰাজ্য চৰকাৰে ৰাজ্যজুৰি আৰম্ভ কৰা **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টিভিত্তিক স্বাস্থ্য শিবিৰত এই পৰ্যন্ত লক্ষাধিক শিশু আৰু কিশোৰ-কিশোৰীক চিকিৎসা প্ৰদান কৰা হৈছে। যোৱা ১০ অক্টোবৰ পৰ্যন্ত ৰাজ্যৰ ৩৭টা সমষ্টিভিত্তিক স্বাস্থ্য মেলাত ১০ হাজাৰৰো অধিক ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক প্ৰাথমিক পৰ্যায়ৰ চিকিৎসা প্ৰদান কৰা হৈছে। এই স্বাস্থ্য শিবিৰ সমূহত ৫০ টাতকৈ অধিক ৰোগৰ পৰীক্ষা বিনামূলীয়াকৈ কৰা হৈছে। ৰাজ্য চৰকাৰৰ এই স্বাস্থ্য মেলাৰ অংশ হিচাপে বিশ্বনাথ, কাছাৰ, কামৰূপ মহানগৰ, নগাঁও আৰু তিনিচুকীয়াত আজি বিশেষ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। স্বাস্থ্য মন্ত্ৰী অশোক সিংহলে কালি বিধানসভা ভিত্তিক মেগা স্বাস্থ্য মেলাকে ধৰি কেইবাটাও বিষয়ত আলোচনা কৰাৰ বাবে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ জ্যেষ্ঠ বিষয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিত এই শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে আজি চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হৈছে। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে ১৬ অক্টোবৰত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত কাইলৈ এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। এই শিবিৰত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক চিকিৎসা সেৱা আগবঢ়াব।

০০০০০০

অসমীয়া সাহিত্যৰ পথ প্ৰদৰ্শক, গল্পকাৰ, নাট্যকাৰ, ঔপন্যাসিক, কবি, হাস্যৰসাত্মক লেখক তথা সমালোচক সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ আজি জয়ন্তী। ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তী উপলক্ষে ঠায়ে ঠায়ে শ্ৰদ্ধা নিবেদন কৰা হৈছে।

প্ৰজ্ঞাৰ সাধনাৰে মাতৃভাষা আৰু সমাজ জীৱনক গৌৰৱান্বিত কৰা আধুনিক অসমীয়া ভাষা-সাহিত্যৰ মাৰ্গ দৰ্শনকাৰী ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জয়ন্তী উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধা জ্ঞাপন কৰিছে। ১৯৬৪ চনৰ আজিৰ দিনটোতেই নগাঁৱৰ আহঁতগুৰিত অসমীয়া সাহিত্যৰ ওজা সাহিত্যিক বেজবৰুৱাৰ জন্ম হৈছিল। 'মোৰ জীৱন সোঁৱৰণ', 'বুঢ়ী আইৰ সাধু', 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা' আদি তেওঁৰ সাহিত্যক জীৱনৰ উল্লেখনীয় কীৰ্তিস্তম্ভ। ১৯২৪ চনত অনুষ্ঠিত অসম সাহিত্য সভাৰ তেওঁ সভাপতিৰ আসন অলংকৃত কৰিছিল। বাঁহী, জোনাকী আদি যুগান্তকাৰী আলোচনীসমূহৰ সম্পাদক হিচাপেও লক্ষ্মীনাথ বেজবৰুৱাই অসমীয়া ভাষা সাহিত্যলৈ অমূল্য বৰঙণি যোগাইছে।

০০০০০০

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি কয়, যে কাইলৈ দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবছাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। অক্টোবৰৰ ভিতৰত ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে

চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। নৰেন্দ্ৰৰ মাহত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন শীঘ্ৰে মুকলি কৰি দিবৈল দীৰ্ঘদিন ধৰি ৰাজ্যৰ শিল্পী সমাজে দাবী জনাই আহিছে। কালি সাংস্কৃতিক ঐক্য মঞ্চ অসমে পুনৰ এই দাবী জনায়। গুৱাহাটীৰ চেনিকুঠীৰ সূৰ্য সমলয় ক্লাবত অনুষ্ঠিত এখন সংবাদমেলত কালি বিশিষ্ট নাট্যকৰ্মী ৰবিজিতা গগৈয়ে শিল্পীসকলৰ সুবিধাৰ্থে ৰবীন্দ্ৰ ভৱন প্ৰাংগণত থকা প্ৰেক্ষাগৃহ আৰু কলাবিথিকা শীঘ্ৰে মুকলি কৰি দিয়াৰ বাবে দাবী জনায়।

*(বাইট ঃ গগৈ)*

ভৱনটোত চলি থকা মেৰামটি কাৰ্য শীঘ্ৰেই সম্পন্ন কৰি মুকলি কৰি দিবলৈ জুবিন গাৰ্গৰ লগতে এহেজাৰ ১০৮ গৰাকী ন-পুৰণি শিল্পীৰ স্বাক্ষৰ সম্বলিত এখন স্মাৰকপত্ৰ ইতিপূৰ্বে মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হৈছিল বুলি সংবাদমেলত প্ৰকাশ কৰা হয়। এই সংবাদমেলত বিশিষ্ট নাট্যকৰ্মী জ্যোতি নাৰায়ণ নাথ, ভাগীৰথী বাই কদম আৰু হিমাংশু প্ৰসাদ দাসো উপস্থিত থাকে।

০০০০০০

আই চি চি মহিলা এদিনীয়া ক্ৰিকেট বিশ্বকাপৰ কালি বিশাখাপট্টনমত অনুষ্ঠিত এখন খেলত দক্ষিণ আফ্ৰিকাই বাংলাদেশক ৩ উইকেটত পৰাস্ত কৰে। খেলখনত বাংলাদেশে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অ'ভাৰত শ্বাৰ্মিন আখটাৰ আৰু শ্ব'ৰ্ণা আখটাৰৰ অৰ্ধশতকৰ সহায়ত ৬ উইকেটৰ বিনিময়ত ২৩২ ৰান কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত অ'ভাৰ শেষ হ'বলৈ তিনিটা বল বাকী থকা অৱস্থাত ৭টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। দলৰ হৈ ক্ল' ট্ৰায়ন আৰু মাৰিজেন কেপে অৰ্ধশতক কৰে। ট্ৰায়নক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। কালিৰ এই জয়ৰ পাছত দক্ষিণ আফ্ৰিকা পইণ্ট তালিকাত তৃতীয় স্থানলৈ উন্নীত হোৱাৰ লগতে বাংলাদেশ ষষ্ঠ স্থানতে থাকে।

প্ৰতিযোগিতাত আজি কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত শ্ৰীলংকা নিউজিলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব।

০০০০০০

## News Paper REV

চাহ জনগোষ্ঠী আৰু আদিবাসী লোকসকলে ডিব্ৰুগড়ৰ চৌকিদিঙিত জনজাতিকৰণ আৰু দৈনিক মজুৰী ৫৫০ টকালৈ বৃদ্ধি কৰাৰ দাবীত সমবেত হোৱা তথা জুবিন গাৰ্গৰ ন্যায় সন্দৰ্ভত ৰাজ্যৰ ১৫ গৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে আজি হ'বলগীয়া এছ আই টিৰ বৈঠকৰ বাতৰি আটাইবোৰ কাকততে প্ৰকাশ পাইছে।

জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত প্ৰক্ৰিয়াত সহযোগ কৰাৰ বাবে ছিংগাপুৰৰ চাৰিগৰাকী প্ৰবাসী অসমীয়াৰ ভাষ্য লিপিবদ্ধ কৰাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰকাশ কৰিছে। এই বাতৰি অসমীয়া খবৰ কাকতেও প্ৰকাশ কৰিছে। কাকতখনে জুবিন গাৰ্গৰ ন্যায় বিচাৰি শিল্পীগৰাকীৰ পত্নী আৰু ভনীয়ে ১০ দিনৰ সময়সীমা বান্ধি দিয়াৰ আন এটা বাতৰি প্ৰকাশ কৰিছে।

ভাৰত চৰকাৰে ব্ৰহ্মপুত্ৰ নদী উপত্যকাৰ পৰা জলবিদ্যুৎ সংবহনৰ বাবে ছয় লাখ চাৰি হাজাৰ কোটি টকাৰ পুঁজি বিনিয়োগ সাপেক্ষে অভিলাষী সংবহন লাইন নিৰ্মাণৰ প্ৰস্তাৱত আনুষ্ঠানিকভাৱে অনুমোদন দিছে। বাতৰিটো দৈনিক অসম কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ অস্বাভাৱিক মৃত্যুৰ সৈতে নাম সাঙোৰ খোৱা শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ১৪ দিনৰ আৰক্ষী জিম্মাৰ ম্যাদ উকলি যোৱাৰ পৰিপ্ৰেক্ষিতত পৃথক গোচৰত আজি পুনৰ গ্ৰেপ্তাৰ কৰা হ'ব বুলি এটা বাতৰি আমাৰ অসম কাকতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত তদন্ত কৰিবলৈ ছিংগাপুৰলৈ অসম আৰক্ষীয়ে অনুমতি বিচৰাৰ এটা বাতৰি দৈনিক জনমভূমি কাকতে প্ৰকাশ কৰিছে।

ছটা জনগোষ্ঠীৰ জনজাতিকৰণত বিৰোধিতা কৰা সদৌ অসম ট্ৰাইবেল সংঘৰ সম্পাদক প্ৰধান আদিত্য খাখলাৰী কোচ ৰাজবংশী সন্মিলনীয়ে সমালোচনা কৰা এটা বাতৰি নিয়মীয়া বাৰ্তা কাকতে প্ৰকাশ কৰিছে।

প্ৰযুক্তিৰ লগত ফেৰ মাৰি অৰ্থনৈতিক বিকাশ অব্যাহত ৰখাৰ উদ্ভাৱনী পথৰ সন্ধান দিয়া তিনিখন দেশৰ তিনিগৰাকী অৰ্থনীতিবিদলৈ এইবেলি অৰ্থনীতিৰ ন'বেল বঁটা আগবঢ়োৱা হৈছে। বাতৰিটো দৈনিক অগ্ৰদূত কাকতৰ লগতে আন আন কাকতেও প্ৰকাশ কৰিছে।

গাজাত বন্দী হৈ থকা ২০ গৰাকী পনবন্দী আৰু ইজৰাইলৰ হাতত বন্দী হৈ থকা শ শ পেলেষ্টাইনীয়ে কালি গাজা ভূখণ্ডত মুক্তভাৱে  বিচৰণ কৰাৰ এটা আশাব্যঞ্জক বাতৰি দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

জুবিন গাৰ্গৰ ন্যায়ৰ দাবীত তেওঁৰ পত্নী আৰু ভগ্নীয়ে ডিজিটেল কেম্পেইন আৰম্ভ কৰিছে, এই বাতৰি দ্যা ছেণ্টিনেল কাকতৰ।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত